# Phone call between External Affairs Minister, Dr. S. Jaishankar and Foreign Minister of China, H.E. Mr. Wang Yi

February 26, 2021

---

# বিদেশ বিষয়ক মন্ত্ৰী, ডঃ এছ জয়শংকৰ আৰু চীনৰ বিদেশ মন্ত্ৰী মাননীয় মিঃ ৱেং য়িৰ মাজত ফোন যোগে বাৰ্তালাপ

ফেব্ৰুৱাৰী 26, 2021

1. বিদেশ বিষয়ক মন্ত্ৰী আৰু চীনৰ ৰাজ্যিক পাৰিষদ আৰু বিদেশ মন্ত্ৰী, মাননীয় মিঃ ৱেং য়িয়ে, যোৱা কালি দুপৰীয়া ফোন যোগে বাৰ্তালাপ কৰে৷ দুয়োজন বিদেশ মন্ত্ৰীয়ে পূৱ লাডাখৰ নিয়ন্ত্ৰণ ৰেখাৰ পৰিস্থিত আৰু সামগ্ৰিক ভাৰত-চীন সম্পৰ্কৰ সম্বন্ধীয় বিষয়সমূহ আলোচনা কৰে৷

2. বিদেশ বিষয়ক মন্ত্ৰীয়ে চেপ্তম্বৰ 2020 চনত মস্কোত চীন বিদেশ মন্ত্ৰীৰ সৈতে হোৱা বৈঠকৰ প্ৰসঙ্গ কৰে য'ত ভাৰতীয় পক্ষই নিজৰ চিন্তা প্ৰকাশ কৰিছিল চীন পক্ষৰ উত্তেজক আচৰণ আৰু স্থিতাৱস্থা সলনি কৰাৰ বাবে একপক্ষীয় প্ৰচেষ্টাৰ ওপৰত৷ তেওঁ উল্লেখ কৰে যে যোৱা বছৰত দ্বিপক্ষীয় সম্বন্ধ গুৰুতৰভাৱে প্ৰভাৱিত হৈছে৷ বিদেশ বিষয়ক মন্ত্ৰীয়ে কয় যে সীমা প্ৰশ্ন সমিধান হ'বলৈ অলপ সময় লাগিব পাৰে কিন্তু হিংসাকে ধৰি শান্তি আৰু প্ৰশান্তিৰ ব্যাঘাতে, সম্পৰ্কটোৰ ওপৰত এক অনিবাৰ্যভাৱে এক ক্ষতিকৰ প্ৰভাৱ পেলাব৷

3. বিদেশ বিষয়ক মন্ত্ৰীজনে কয় যে যোৱা বছৰ মস্কোত হোৱা তেওঁলোকৰ বৈঠকত, দুয়োজন মন্ত্ৰীয়ে মান্তি হৈছিল যে সীমান্ত অঞ্চলৰ পৰিস্থিতি দুয়ো পক্ষৰ বাবে অনুকুল নহয় আৰু সিদ্ধান্ত লৈছিল যে দুয়ো পক্ষৰ সীমান্ত সেনা বলে নিজৰ আলোচনা অব্যাহত ৰাখিব, দ্ৰুত নিষ্ক্ৰিয়তা আৰু শংকা সহজ কৰিব৷ মন্ত্ৰীজনে উল্লেখ কৰে যে দুয়ো পক্ষই তেতিয়াৰ পৰা অবিচ্ছিন্ন যোগাযোগ অব্যাহত ৰাখিছে কূটনৈতিক আৰু সেনা মাধ্যম দুয়োৰে যোগেদি৷ ইয়াৰ ফলত প্ৰগতি লাভ হৈছে যিহেতু এই মাহৰ আৰম্ভণিত দুয়ো পক্ষই পেংগং চ' হ্ৰদ অঞ্চলত সফলতাৰে নিষ্ক্ৰিয়তা অৱলম্বন কৰিছে৷

4. পেংগং হ্ৰদ অঞ্চলত সম্পূৰ্ণ নিষ্ক্ৰিয়তা উল্লেখ কৰি, বিদেশ বিষয়ক মন্ত্ৰীয়ে কয় যে দুয়ো পক্ষই এতিয়া পূৱ লাডাখৰ নিয়ন্ত্ৰণ ৰেখাৰ বাকি ৰৈ যোৱা বিষয়সমূহ সোনকালে সমাধা কৰিব লাগে৷ তেওঁ কয় যে সকলো সংঘাত বিন্দুত নিষ্ক্ৰিয়তা এবাৰ সম্পূৰ্ণ হ'লে, তেতিয়া দুয়ো পক্ষই অঞ্চলটোত সেনাৰ তীব্ৰতা হ্ৰাস বহল দৃষ্টিৰে চাব পাৰিব আৰু শান্তি আৰু প্ৰশান্তিৰ পুনঃপ্ৰতিষ্ঠাৰ বাবে একেলগে কাম কৰিব পাৰিব৷

5. ৰাজ্যিক পাৰিষদ আৰু বিদেশ মন্ত্ৰী মিঃ য়িয়ে, নিজৰ ফালৰ পৰা, সন্তুষ্টি প্ৰকাশ কৰে এতিয়ালৈকে হোৱা প্ৰগতিৰ ওপৰত৷ এয়া এক গুৰুত্বপূৰ্ণ খোজ আছিল সীমান্ত অঞ্চলত শান্তি আৰু প্ৰশান্তিৰ পুনঃপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত৷ তেওঁ অনুভৱ কৰে যে দুয়ো পক্ষই চেষ্টা কৰিব লাগে ফলাফলবোৰ একত্ৰিত কৰিবলৈ৷ বিভিন্ন স্তৰৰ সাধাৰণ বুজন আন্তৰিকভাৱে ৰূপায়ণ কৰাও প্ৰয়োজনীয় আছিল৷ তেওঁ সীমান্ত অঞ্চলবোৰত পৰিচালন আৰু নিয়ন্ত্ৰণ উন্নত কৰাৰ প্ৰয়োজনৰ বিষয়ে কয়৷

6. বিদেশ বিষয়ক মন্ত্ৰীয়ে উল্লেখ কৰে যে দুয়ো পক্ষই সদায়ে মান্তি আছিল যে সীমান্ত অঞ্চলবোৰত শান্তি আৰু প্ৰশান্তি ৰক্ষা কৰাটো দ্বিপক্ষীয় সম্পৰ্কৰ উন্নয়নৰ প্ৰয়োজনীয় ভিত্তি আছিল৷ বিদ্যমান পৰিস্থিতিৰ বৰ্ধন দুয়ো পক্ষৰ বাবে অনুকূল নাছিল৷ সেয়ে, এয়া জৰুৰী আছিল যে দুয়ো পক্ষই বাকি ৰৈ যোৱা সমস্যাবোৰৰ এক দ্ৰুত সমিধানৰ বাবে একেলগে কাম কৰে৷ সকলো সংঘাত বিন্দু নিষ্ক্ৰিয় কৰা প্ৰয়োজনীয় আছিল এই খণ্ডত সেনাবলৰ তীব্ৰতা হ্ৰাস কৰাৰ বিবেচনা কৰাৰ বাবে৷ ই অকলেই শান্তি আৰু প্ৰশান্তি পুনঃপ্ৰতিষ্ঠা কৰিব আৰু আমাৰ দ্বিপক্ষীয় সম্পৰ্কৰ উন্নতিৰ বাবে পৰিস্থিতি প্ৰদান কৰিব৷

7. বিদেশ মন্ত্ৰী ৱেং য়িয়েও উল্লেখ কৰে যে ভাৰতীয় পক্ষই 'তিনিটা পৰস্পৰ' (পাৰস্পৰিক সন্মান, পাৰস্পৰিক সংবেদনশীলতা আৰু পাৰস্পৰিক ৰুচি) সম্পৰ্কটোৰ পথ হিচাপে। তেওঁ মান্তি হয় আমাৰ মাজৰ বান্ধোনৰ বহল দৃষ্টিৰ গুৰুত্বৰ ওপৰত। দুয়োজন মন্ত্ৰীয়ে যোগাযোগত থাকিবলৈ আৰু এক হ'টলাইন স্থাপন কৰিবলৈ মান্তি হয়।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 26, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.